**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি সামৰণি পৰিব।

২। তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান ক্ৰমাত তীব্ৰতৰ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু দলটোৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ৰদ্ৰাকে ধৰি বিভিন্ন দলৰ নেতৃবৰ্গ প্ৰচাৰ অভিযানত ব্যস্ত হৈ পৰিছে।

৩। আজি বিশ্বজুৰি প্ৰেছ স্বাধীনতা দিৱস উদযাপন কৰা হৈছে।

৪। ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ সাধাৰণ সম্পাদক অতুল কুমাৰ অঞ্জনৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত আজি মৃত্যু ঘটে।

৫। ব্ৰাজিলত শেহতীয়াকৈ উদ্ভৱ হোৱা বান পৰিস্থিতিৰ ফলত এটা বান্ধ ভাগি পৰাত কমেও ৩০ জন লোকৰ মৃত্যু ঘটাৰ লগতে আন বহু সংখ্যক লোক আহত হৈছে।

*আৰু*

৬। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। কাইলৈ মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু সোমবাৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব।

0000000

তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাথোঁ দুটা দিন বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। এই পৰ্যায়ত অহা ৭ মে'ত অসমকে ধৰি দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পূৰ্বে এইটো পৰ্যায়ত মুঠ ৯৪টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰাৰ কথা আছিল যদিও মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে, গুজৰাটৰ ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি ঘটোৱাৰ পৰিপ্ৰেক্ষিতত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস পায়।

এই পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰ ১১টা আৰু উত্তৰ প্ৰদেশৰ ১০টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। একেদৰে মধ্যপ্ৰদেশৰ ৯টা, ছত্তিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসম আৰু

পশ্চিমবংগ উভয়ৰে ৪টাকৈ আৰু গোৱা, দাদ্ৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউৰ দুটাকৈ সংসদীয় সমষ্টিৰ বাবেও এইটো পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ বৰ্ধমান-দুৰ্গাপুৰ, কৃষ্ণনগৰ আৰু বোলপুৰত ৰাজহুৱা সভাত ভাষণ দিব। আজি সন্ধিয়া কলকাতাত উপস্থিত হৈ ৰাজভৱনত বাহৰ পতা প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া ঝাৰখণ্ডৰ সিংভূমৰ এখন ৰাজহুৱা সভাতো ভাষণ দিব। আনহাতে বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি কৰ্ণাটকৰ চিক্কোড়ি, মহাৰাষ্ট্ৰৰ ৰত্নাগিৰি আৰু ছাংলিৰ লগতে উত্তৰ গোৱাত আয়োজিত নিৰ্বাচনী সভাত ভাষণ দিব। ইপিনে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি গুজৰাটৰ দাহোদত এখন ৰাজহুৱা সভাত ভাষণ দিব। তদুপৰি তেওঁ আহমেদাবাদত ভোটাৰৰ সৈতে মত বিনিময় কৰাৰ লগতে কচ্ছত ৰোড শ্ব' আৰু দলীয় কৰ্মীৰ সৈতে মত বিনিময়ৰ অনুষ্ঠানত ভাগ লব।

ইপিনে কংগ্ৰেছ দলৰ প্ৰচাৰ অভিয়ানৰ অংশ হিচাপে দলটোৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ৱদ্ৰাই আজি উত্তৰ প্ৰদেশৰ ফতেহপুৰ ছিক্ৰিত দলীয় প্ৰাৰ্থীৰ হৈ আয়োজন কৰা ৰোড শ্ব' অংশগ্ৰহণ কৰিব একেদৰে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গেই আজি ৰাজকোট আৰু আহমেদাবাদত দলীয় প্ৰাৰ্থীৰ হৈ একোখন ৰাজহুৱা সভাত ভাষণ দিব। তদুপৰি তেওঁ ৰাজকোটত সংবাদ মাধ্যমৰ প্ৰতিনিধিৰ সৈতেও মত বিনিময় কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি গুজৰাটৰ আনন্দ, সুৰেন্দ্ৰনগৰ, জুনাগড় আৰু জামনগৰত কেইবাখনো নিৰ্বাচনী সভাত ভাষণ দি দেশে স্বাধীনতাৰ শতবৰ্ষ উদযাপন কৰাৰ সময়লৈকে এখন উন্নত ৰাষ্ট্ৰৰ মৰ্যাদা লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। শ্ৰীমোডীয়ে লগতে কংগ্ৰেছে ৰাজনৈতিক লাভালাভৰ বাবে দুখীয়াসকলক শোষণ কৰা বুলি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰতি অন্যায় কৰা বুলি অভিযোগ তোলে।

ইপিনে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা অশোক গেহলটে কালি আহমেদাবাদত এখন সংবাদ মেলত অংশগ্ৰহণ কৰে আৰু দলৰ ইস্তাহাৰত সমাজৰ সকলো শ্ৰেণীৰ প্ৰতি ন্যায়ৰ নিশ্চয়তা প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে। আনহাতে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে কালি কৰ্ণাটকৰ শিৱমোগ্গাত এখন জনসভাক সম্বোধন কৰে। তেওঁ কয় যে কংগ্ৰেছে অকলেই সংবিধানক বিজেপিৰ পৰা ৰক্ষা কৰিব পাৰে। একেখন জনসভাত অংশগ্ৰহণ কৰি দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কংগ্ৰেছ চৰকাৰ ক্ষমতালৈ আহিলে সম্পত্তি কাঢ়ি নলয়, বৰঞ্চ দুখীয়াসকলৰ উপকাৰহে সাধন কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা নাৰায়ণ স্বামীয়ে কালি কৰ্ণাটকৰ কোপ্পাল জিলাত দলৰ হকে প্ৰচাৰ চলায়।

০০০০০০০

ভাৰতীয় জাতীয় কংগ্ৰেছ দলে, দলটোৰ নেতা ৰাহুল গান্ধীয়ে লোকসভা নিৰ্বাচনত উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব বুলি আজি ঘোষণা কৰে। দলটোৱে লগতে আমেথি লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী হিচাপে কিশোৰী লাল শৰ্মাৰ নাম ঘোষণা কৰিছে।

আনহাতে বহুজন সমাজ পাৰ্টীয়ে উত্তৰ প্ৰদেশৰ ভাড়োহী সংসদীয় সমষ্টিৰ বাবে মনোনীত প্ৰাৰ্থীৰ ক্ষেত্ৰত সাল-সলনি ঘটাইছে। সেই অনুসৰি সমষ্টিটোত আতাহাৰ আনছাৰীৰ পৰিৱৰ্তে দাৰাসিং চৌহানে বি এছ্ পিৰ প্ৰতিকেৰে নিৰ্বাচনত অংশগ্ৰহণ কৰিব।

০০০০০০০

আজি বিশ্ব প্ৰেছ স্বাধীনতা দিৱস। প্ৰতিবছৰে ৩ মে'ত সংবাদ মাধ্যমৰ স্বাধীনতাৰ মৌলিক অধিকাৰসমূহক স্বীকৃতি দিয়া, সমগ্ৰ বিশ্বতে সংবাদ মাধ্যমৰ স্বাধীনতাৰ মূল্যায়ন কৰা, সংবাদ মাধ্যমৰ স্বাধীনতাক আক্ৰমণৰ পৰা ৰক্ষা কৰা আৰু বিভিন্ন সময়ত কৰ্তব্যৰ সময়ত প্ৰাণ হেৰুওৱা সাংবাদিকসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

**আমাৰ গ্ৰহটোৰ বাবে সংবাদ মাধ্যম ঃ পাৰিপাৰ্শ্বিকতাৰ সংকটৰ প্ৰেক্ষাপটত সাংবাদিকতা** বিষয়টোক এইবেলি বিশ্ব প্ৰেছ স্বাধীনতা দিৱসৰ মূল বিষয় হিচাপে গ্ৰহণ কৰা হৈছে। এই বিশেষ দিৱস উপলক্ষে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে কয় যে, সমগ্ৰ বিশ্বৰ পৰিৱেশ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ ঘটনাৱলীৰ লগতে বতৰ বিষয়ক জৰুৰী পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণক তথ্যৰ যোগান ধৰা তথা শিক্ষিত কৰি তোলাৰ ক্ষেত্ৰত সাংবাদিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। তেওঁলোকৰ কৰ্মৰাজীৰ জৰিয়তেই পৃথিৱীত পৰিৱৰ্তন সাধনৰ ক্ষেত্ৰত নিজৰ কৰণীয়ৰ বিষয়ে জনসাধাৰণ অৱগত হ'ব পাৰিব বুলিও সচিব প্ৰধানগৰাকীয়ে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে ইউনেস্কোৰ সাধাৰণ অধিৱেশনৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৯৩ চনত আজিৰ দিনটোত প্ৰথমবাৰৰ বাবে বিশ্ব প্ৰেছ স্বাধীনতা দিৱস পালন কৰিছিল।

০০০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত উচ্চতৰ মাধ্যমিকৰ ফলাফল কাইলৈ ঘোষণা কৰা নহয়। শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰকে আজি এই কথা স্পষ্ট কৰি দিছে। আমাৰ পুৱাৰ আঞ্চলিক বাতৰিত ফলাফল কাইলৈ ঘোষণা কৰা হ'ব বুলি উল্লেখ কৰা হৈছিল। এই ভুলৰ বাবে আমি দুঃখিত।

০০০০০০০

ভাৰতীয় কমিউনিষ্ট পাৰ্টী চি পি আইৰ সাধাৰণ সম্পাদক অতুল কুমাৰ অঞ্জনৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত আজি মৃত্যু ঘটে। লক্ষ্ণৌত শেষ নিশ্বাস ত্যাগ কৰা সাম্যবাদী নেতাগৰাকীৰ বয়স হৈছিল ৬৯ বছৰ। গুৰুতৰ পৰ্যায়ৰ কৰ্কট ৰোগত আক্ৰান্ত হৈ বিগত এমাহ ধৰি তেওঁ ব্যক্তিগত খণ্ডৰ এখন চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰি আছিল। আজি বিয়লি লক্ষ্ণৌৰ ভাইছা কুণ্ডত তেওঁৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব।

০০০০০০০

ব্ৰাজিলত শেহতীয়াকৈ উদ্ভৱ হোৱা বান পৰিস্থিতিৰ ফলত এটা বান্ধ ভাগি পৰাত কমেও ৩০ জন লোকৰ মৃত্যু ঘটাৰ লগতে আন বহুসংখ্যক লোক আহত হৈছে। দেশখনত বিগত কেইবাদিনো ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত উদ্ভৱ হোৱা বান পৰিস্থিতিৰ কবলত পৰি প্ৰায় ১৫ হাজাৰ লোকে ঘৰ এৰি আন ঠাইত আশ্ৰয় লোৱাৰ লগতে বহুসংখ্যক লোক বিদ্যুৎ আৰু খোৱাপানীৰ সংকটৰ সন্মুখীন হ'বলগীয়াত

পৰিছে। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা ডা ছিল্‌ভাই ক্ষতিগ্ৰস্ত অঞ্চলসমূহ ভ্ৰমণ কৰি ভুক্তভোগী লোকসকলক চৰকাৰৰ ফালৰ পৰা সকলো ধৰণৰ সহায় সহযোগিতাৰ আশ্বাস প্ৰদান কৰিছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক ১ ৰাণত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২০২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২০০ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰিয়ান পৰাগে ৪৯টা বলত ৭৭ আৰু যশস্বী জয়ছৱালে ৪০টা বলত ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায়। হায়দৰাবাদৰ ভূৱনেশ্বৰ কুমাৰে তিনিটা আৰু পেট কামিনছ আৰু টি নটৰাজনে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ২০১ ৰাণ কৰে। কালিৰ খেলৰ পাছত ৰাজস্থান ৰয়েলছ ১৬ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষস্থানত থকাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছ দ্বিতীয়, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ তৃতীয় আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ চতুৰ্থ স্থান আছে।

0000000

**ঃ সমাপ্ত ঃ**